# 2015

## ASSAMESE

## ( Elective )

Paper : 5.2

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। *এটা* শব্দ বা বাক্যত উত্তৰ দিয়াঁ : ১×১০=১০

(ক) শংকৰদেৱৰ প্ৰথম নাটখনৰ নাম কি ?

(খ) 'ৰামবিজয়' নাটখন শংকৰদেৱে ক'ত ৰচনা কৰিছিল ?

(গ) 'ৰামবিজয়' নাটখনৰ কাহিনীভাগ 'ৰামায়ণ'ৰ কোনটো কাণ্ডৰ অন্তৰ্গত ?

(ঘ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ মতে 'লভিতা' নাটখনৰ নায়ক কোন ?

(ঙ) জ্যোতিপ্ৰসাদ আগৰৱালাই পৌৰাণিক কাহিনীক আধাৰ কৰি ৰচনা কৰা নাটখনৰ নাম কি ?

(চ) 'মাদল' নাটখন অসমৰ কোন জনগোষ্ঠীৰ পটভূমিত ৰচিত হৈছে ?

(ছ) লছমী কাৰ জীয়েক আছিল ?

(জ) 'মাদল' কোন জনগোষ্ঠীৰ বাদ্যযন্ত্ৰ ?

(ঝ) 'জৰৌৰৌৱা পৰজা' নাটখনৰ নাট্যকাৰ কোন ?

(ঞ) 'হাতী আৰু ফান্দী' নাটখনৰ নাৰী চৰিত্ৰটোৰ নাম কি ?

২। চমুকৈ উত্তৰ দিয়াঁ : ২×৫=১০

(ক) ভৃগুবৰ ৰাম আৰু বনমালী কাক কোৱা হয় ?

(খ) অসমৰ কি কি লোক-নাট্যানুষ্ঠানৰ প্ৰভাৱ অংকীয়া নাটকত লক্ষ্য কৰা যায় ?

(গ) চন্দ্ৰমহাজন কোন ? ৰুদ্ৰপ্ৰসাদ তেওঁৰ কি হয় ?

(ঘ) প্ৰেমলাল প্ৰকৃততে কাৰ সন্তান ? তেওঁৰ মাতৃৰ নাম কি আছিল ?

(ঙ) মুহিৰাম কোন আছিল ? হাতী ধৰিবলৈ গৈ মুহিৰামৰ কি হ'ল ?

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ কৰিবাঁ : ৫×৪=২০

(ক) 'ব্ৰজাৱলী' ভাষাৰ উপাদান কি কি ? অংকীয়া নাটৰ বাহিৰেও আৰু ক'ত ইয়াৰ ব্যৱহাৰ লক্ষ্য কৰা যায় ?

(খ) অংকীয়া নাটকত সূত্ৰধাৰৰ ভূমিকা কেনেকুৱা ?

(গ) গোলাপ কোন আছিল ? তেওঁৰ দেশপ্ৰেমৰ নমুনা কেনেদৰে পাব পাৰি ?

(ঘ) "তই যে কহিছিলি? এই দেশটো আমাৰ নাছিল, চা-বাগানে কাম কৰাৰ বাবে চাহাবলোকে আমাৰ মানুহবোৰক আসাম দেশে আনিছিল।" এইখিনি কথা কোনে, কাক কৈছিল?

(ঙ) "বৰলোকব বেটা, আজি গৰম, কালি ঠাণ্ডা। কি ভৰসা আছে?" এই কথাষাৰ কোনে, কাক উদ্দেশ্য কৰি কৈছিল?

(চ) তৰা কোন আছিল? তৰাৰ মাত শুনিলে মুহিৰাম কিয় ব'ব নোৱাৰা হয়?

৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ কৰিবাঁ : ১০×৪=৪০

(ক) অংকীয়া নাটকৰ লগত সংস্কৃত নাটকৰ কি কি মিল লক্ষ্য কৰা যায়, আলোচনা কৰাঁ।

(খ) অংকীয়া নাট হিচাপে 'ৰামবিজয়' নাটখনৰ কলাকৌশল আলোচনা কৰাঁ।

(গ) 'লভিতা' নাটখনৰ পটভূমি সম্পৰ্কে এটি নিবন্ধ যুগুত কৰাঁ।

(ঘ) 'লভিতা' নাটখনৰ মাজেৰে নাট্যকাৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱনদৰ্শনৰ কোনটো দিশ প্ৰকাশ পাইছে, বিশ্লেষণ কৰাঁ।

(ঙ) 'মাদল' নাটকৰ জগৰু চৰিত্ৰটোৰ বিষয়ে এক সম্যক আলোচনা আগবঢ়োৱাঁ।

(চ) 'হাতী আৰু ফান্দী' নাটখনত থলুৱা লোককলাৰ প্ৰয়োগ কেনেদৰে ঘটিছে, আলোচনা কৰা।

(ছ) 'হাতী আৰু ফান্দী' নাটখনৰ মাজেৰে সমাজৰ সাধাৰণ শ্ৰেণীৰ মানুহৰ জীৱন-চৰ্যা কেনেদৰে ৰূপায়িত হৈছে, আলোচনা কৰা।

★★★